কিয়নো প্ৰত্যেক প্ৰতীকৰে ধ্বনিমূল্য নিৰ্দিষ্টকৈ বন্ধা থাকে। গতিকে কোনো এটা নিৰ্দিষ্ট গুণবিশিষ্ট ধ্বনি দুটা বা ততোধিক বিভিন্ন ভাষাত ব্যৱহৃত হয়, সেই সকলোবোৰতে একেটা ধ্বনিলিপিৰে চিহ্নিত হ'ব পাৰে। ধ্বনিলিপি ভাষাৰ ধ্বনিতত্ত্বৰ আলোচনাত আৰু বিশেষকৈ **ধ্বনিপাঠ্যত** (Phonetic Readers) ব্যৱহাৰ হয়।

১৩। **আই-পি-এ:** প্ৰতীক বা চিহ্নৰ নিজস্ব কোনো মূল্য বা অৰ্থ নাই, যি চিহ্নত যি মূল্য আৰোপ কৰা হয় সি সেই মূল্যকে বুজায়। ধ্বনিতত্ত্ববিদসকলে কিছুমান প্ৰতীকত ধ্বনিবিশেষৰ মূল্য আৰোপ কৰি ব্যৱহাৰ কৰে। সেইদেখি তেওঁলোকৰ মাজত যদি কোনো সহযোগ বা বুজাবুজি নাথাকে তেনেহ'লে ধ্বনিলিপিও বেলেগ বেলেগ ধ্বনিতত্ত্ববিদৰ হাতত বেলেগ বেলেগ হৈ পৰিব আৰু এজনৰ লিখা আন এজনে পঢ়িব নোৱাৰা হ'ব। এনে খেলিমেলিৰ যাতে সৃষ্টি নহয়, সকলো ধ্বনিতত্ত্ববিদে যাতে একেবোৰ ধ্বনিলিপিকে ব্যৱহাৰ কৰিব পাৰে সেই উদ্দেশ্যে ১৮৮৬ চনত প্ৰতিষ্ঠাপিত **আন্তঃৰাষ্ট্ৰীয় ধ্বনি সন্থা**- (International Phonetic Association)-ই ১৮৮৮ চনত এখন ধ্বনিলিপিৰ উদ্ভাৱন কৰে। এই লিপিৰ নাম **আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি**, অথবা চমুকৈ **আই-পি-এ** (International Phonetic Alphabet)*। আই-পি-এ-ৰ মূল ভেটি বৃটিছ ধ্বনিতত্ত্ববিদ **হেনৰী ছুইত-ৰ ৰ'মিক** বা ব্ৰড ৰ'মিক লিপি। ৰোমান লিপিৰ পৰা আখৰ গোটাই হেনৰী ছুইতে তেওঁৰ ৰ'মিক লিপিৰ সৃষ্টি কৰিছিল। ওপৰত কৈ অহাৰ দৰে ধ্বনিয়ে প্ৰতি প্ৰতীক চিহ্নিত কৰিবলৈ হ'লে অসংখ্য আখৰৰ প্ৰয়োজন। বৰ্ত্তমান আই-পি-এ-ত ৰোমান আখৰৰ উপৰি গ্ৰীক লিপিৰ কেইটামান আখৰো অলপ সংশোধন কৰি লোৱা হৈছে আৰু বহুতো কুট (diacritical marks) প্ৰয়োগৰ নিৰ্দেশ দিয়া হৈছে। আই-পি-এ-ত ইতিমধ্যে পৃথিৱীৰ ভিন ভিন ভাষাৰ ধ্বনিপাঠ্য প্ৰকাশ হৈ ওলাইছে। আই-পি-এ-ৰ সামান্য বা সাধাৰণ গুণৰ কাৰণে বৰ্ত্তমান সময়ত ধ্বনিতত্ত্ববিদসকলৰ মাজত ইয়াৰ সমাদৰ ক্ৰমে বৃদ্ধি পাইছে। (আই-পি-এ-ৰ চাৰ্ট এখন স্থানান্তৰত দিয়া হ'ল।)।

## বৰ্ণলিপি

১৪। ধ্বনিলিপিৰ প্ৰয়োজন কেৱল ভাষাতত্ত্ববিদৰ কাৰণেহে। তেওঁলোকৰ ই অপৰিহাৰ্য্য সম্বল। কোনো ভাষাৰ ধ্বনিতত্ত্বৰ আলোচনাত আৰু ধ্বনিপাঠ্য ৰচনাত

* The Principles of the International Phonetic Association (1946).

ইয়াৰ প্ৰয়োগ হয়। ব্যৱহাৰিক ক্ষেত্ৰত ধ্বনিলিপিৰ প্ৰয়োজন অপৰিহাৰ্য্য নহয়। কোনো এটা ভাষাত যিবোৰ ধ্বনি বিশিষ্ট নহয় অৰ্থাৎ যিবোৰৰ প্ৰয়োগত বিৰোধ নাথাকে সেইবোৰ ধ্বনিয়ে একেলগ হৈ এটা মাথোন ধ্বনিসমষ্টি বা ধ্বনিগোট তৈয়াৰ কৰে। কেতিয়াবা কেৱল এটা ধ্বনিৰেও এটা গোট হ'ব পাৰে। এনে ধ্বনিগোটৰ নাম বৰ্ণ। এই বৰ্ণ লিখিবলৈ বৰ্ণৰ অন্তৰ্গত সকলোবোৰ ধ্বনিৰ চিহ্ন প্ৰয়োগৰ কোনো প্ৰয়োজন নাই; যিকোনো এটা ধ্বনিসূচক লিপিৰ দ্বাৰাই গোটেই ধ্বনি সমষ্টিটো বুজাব পাৰি। এনে বৰ্ণসূচক লিপিক বৰ্ণলিপি (Phonemic Script) বোলে। উদাহৰণ স্বৰূপে: অসমীয়া ভাষাৰ 'ভাল', 'লাভ' আৰু 'লাভ' এই শব্দ কেইটাত ভ আৰু ভ় ধ্বনিৰ মাজত প্ৰয়োগৰ বিৰোধ নাই কাৰণে অসমীয়া মানুহে দুয়োটাকে স্বকীয়া ধ্বনি বুলি নাভাবে (চাওক § ৭)। সেইদেখি অসমীয়া ভাষাত এটা ভ বৰ্ণৰ অন্তৰ্গত ভ আৰু ভ় দুয়োটা ধ্বনিকে সামৰি লৈ এটা মাথোন আখৰ ভ-ৰে শব্দবোৰ লিখা হৈছে। ইয়াত ভ বৰ্ণলিপিৰ, আৰু ভ আৰু ভ় ধ্বনি-লিপিৰ চিহ্ন।

## ধ্বনি-বিজ্ঞান তথা ধ্বনিতত্ত্বৰ প্ৰয়োজনীয়তা

১৫॥ ধ্বনি ভাষাৰ যেনে, ধ্বনিবিজ্ঞানো ভাষাবিজ্ঞানৰ তেনে মূল ভেটি স্বৰূপ। ধ্বনিবিজ্ঞানেহে বৰ্ণবিজ্ঞান তথা ধ্বনিতত্ত্বৰ প্ৰাৰম্ভিক সামগ্ৰীৰ যোগান ধৰে (চাওক § ৮)। গতিকে ভাষাৰ বিশ্লেষণৰ কাৰণে ধ্বনিবিজ্ঞান অপৰিহাৰ্য্য। তথাপি কেৱল ভাষাবৈজ্ঞানিক প্ৰয়োজনীয়তালৈ লক্ষ্য কৰিয়েই ধ্বনিবিজ্ঞানৰ সৃষ্টি হোৱা নাই। ব্যৱহাৰিক ক্ষেত্ৰতো ইয়াৰ অনেক প্ৰয়োজন আছে। তাৰ ভিতৰত ভাষাৰ শিক্ষণ আৰু প্ৰশিক্ষণত ইয়াৰ উপযোগিতা আটাইতকৈ বেছি।

ভাষা মানুহৰ আহৰণৰ দ্বাৰা লাভ কৰা এটা অমূল্য সম্পদ। খোজ কঢ়া, জপিওৱা, দৌৰ মৰা, সন্তান উৎপাদন কৰা আদি কাৰ্য্য স্বতঃপ্ৰণোদিত, সহজ; অৰ্থাৎ কোনো আহি দেখা নাপালেও এইবোৰ কাৰ্য্য মানুহে অতি স্বাভাৱিকভাবে সম্পাদন কৰিব পাৰে। কিন্তু কথা কোৱাটো এনে সহজ প্ৰবৃত্তি নহয়; মানুহক কথা কোৱা শুনিলেহে মানুহে কথা ক'ব পাৰে। এই শুনা কাৰ্য্যটোৱে শিকাৰ প্ৰয়োজনীয়তাৰ কথাকে সোঁৱৰায়।

শুদ্ধ ভাষা শিকিবলৈ শিশুৰ শিক্ষকৰ বেলেগে প্ৰয়োজন নাই। যি পৰিবেশত